# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 12-05-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - -**

লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ বাবে কালি বিয়লি প্ৰচাৰ অভিযানৰ সামৰণি পৰে। পঞ্চম, ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰৰ বাবে দেশৰ বিভিন্ন ঠাইত ভিন ভিন ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান পূৰ্ণগতিত অব্যাহত ৰাখিছে।

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি পশ্চিমবংগৰ হুগলীত অনুষ্ঠিত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি অনুসূচিত জনজাতি উন্নয়নৰ বাবে বিজেপি চৰকাৰৰ দিনত বাজেট বৃদ্ধি কৰা বুলি দাবী কৰে। জ্যেষ্ঠ বিজেপি নেতাগৰাকীয়ে আৰমবাগ লোকসভা সমষ্টিৰ এন ডি এ প্ৰাৰ্থীগৰাকীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। তেওঁ ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰৰ দৰে মহান ব্যক্তিত্বৰ আদৰ্শেৰে পৰিচালিত পশ্চিম বংগত তৃণমূল কংগ্ৰেছৰ চৰকাৰে শিক্ষা ব্যৱস্থাক সম্পূৰ্ণ বিপথে পৰিচালিত কৰিছে বুলি দাবী কৰে। বিজেপি নেতাগৰাকীয়ে ৰাজ্যখনৰ স্বাস্থ্য সম্পৰ্কীয় আন্তঃগাঁথনি তেনেই দুৰ্বল বুলি মত প্ৰকাশ কৰি ৰাজ্যখনত শাসনাধিষ্ঠিত চৰকাৰখনক ইয়াৰ বাবে জগৰীয়া কৰে। শ্ৰীমোডীয়ে ইয়াৰ পিছত হাওৰাত অন্য এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা বিজেপি নেতা অমিত শ্বাহে উত্তৰ প্ৰদেশৰ কৌশাম্বিৰ পৰা বিজেপি প্ৰাৰ্থী বিনোদ সুনকাৰৰ সমৰ্থনত নিৰ্বাচনী সভাত ভাষণ দিয়ে। শ্ৰীশ্বাহে পাক অধিকৃত কাশ্মীৰ অচিৰেই পুনৰ অধিগ্ৰহণ কৰা হ'ব বুলি দাবী কৰে। উল্লেখযোগ্য যে কালি অসমৰ মুখ্যমন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা ড০ হিমন্ত বিশ্ব শৰ্মাইও বিহাৰৰ বেগুচৰাইত নিৰ্বাচনী প্ৰচাৰ সভাত এই দাবী কৰিছিল।

ইফালে, ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসেও নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰিবলৈ পশ্চিম বংগৰ কলকাতাত উপস্থিত হৈছে। বিজেপিৰ নেতাগৰাকীয়ে আজি দলটোৰ কলকাতাৰ কাৰ্যালয়ত দলীয় নেতা-কৰ্মীসকলৰ সৈতে নিৰ্বাচনী আলাপ-আলোচনাত অংশগ্ৰহণ কৰে।

আম আদমী পাৰ্টীৰ আহ্বায়ক তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে লোকসভা নিৰ্বাচনত জয়ী হ'লে ১০টা নিশ্চয়তা পূৰণ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। আম আদমী পাৰ্টীৰ নেতাগৰাকীয়ে বিদ্যুৎ, পানী, স্বাস্থ্য, শিক্ষা আৰু কৰ্মসংস্থানৰ দিশত পদক্ষেপ লোৱাৰ বিষয়ে নিৰ্বাচনী প্ৰচাৰত উল্লেখ কৰে। দলটোৰ কাৰ্যালয়ত পাঞ্জাবৰ মুখ্যমন্ত্ৰী তথা জ্যেষ্ঠ নেতা ভগৱন্ত মানৰ সৈতে এখন সংবাদ মেলক সম্বোধন কৰি শ্ৰীকেজৰিৱালে ১০টা নিৰ্বাচনী প্ৰতিশ্ৰুতিৰ কথা উল্লেখ কৰে। সমগ্ৰ দেশতে দুখীয়া লোকক বিনামূলীয়া বিদ্যুৎ যোগান ধৰাৰ লগতে বিশ্বমানৰ চৰকাৰী বিদ্যালয় নিৰ্মাণৰ বিষয়েও শ্ৰীকেজৰিৱালে উল্লেখ কৰে। ইয়াৰ লগতে আম আদমী পাৰ্টীৰ নেতাগৰাকীয়ে দাবী কৰে যে চীনে দখল কৰা ভাৰতৰ ভূমি মুক্ত কৰিবলৈ সেনাবাহিনীক সম্পূৰ্ণ স্বাধীনতা দিয়া হ'ব।

ইফালে, জ্যেষ্ঠ কংগ্ৰেছ নেতা মল্লিকাৰ্জুন খাৰ্গে আজি মহাৰাষ্ট্ৰৰ ধুলেত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি শাসনাধিস্থ বিজেপি চৰকাৰখনৰ তীব্ৰ সমালোচনা কৰে। শ্ৰীখাৰ্গেই ন্যায় ব্যৱস্থাত অংশীদাৰিত্ব সুনিশ্চিত কৰিবলৈ জাতিগত জনগণনা জৰুৰী বুলি দাবী কৰে।

০০০০০

যুৱপ্ৰজন্মৰ মাজত ক্ৰীড়াৰ প্ৰতি ধাউতি বৃদ্ধি কৰাৰ লগতে সামাজিক দায়বদ্ধতা আৰু চৰিত্ৰ গঠনৰ ওপৰত গুৰুত্ব আৰোপ কৰি বৰপেটাৰ কেওটকুছি চেম্পিয়ন ক্লাবৰ উদ্যোগত ৪০ উৰ্দ্ধৰ লোকৰ কাৰণে এখন মাৰাথন প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনত প্ৰতিযোগীসকলে সমগ্ৰ কেওটকুছি গাঁও পৰিভ্ৰমণ কৰি চণ্ডীচৰণ খেলপথাৰত প্ৰতিযোগিতাৰ সামৰণি মাৰে।

০০০০০

জেঠ মাহৰ পূৰ্ণিমা তিথিত উদযাপন কৰিবলগীয়া ৰাভা জনগোষ্ঠীৰ জাতীয় উৎসৱ বাইখোৰ কাৰণে দুধনৈ আঞ্চলিক ছাত্ৰ সভাই প্ৰস্তুতি অব্যাহত ৰাখিছে। অহা ২৩, ২৪ আৰু ২৫ মে'ত তিনি-দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে বাইখো উৎসৱ উদযাপন কৰা হ'ব। দুধনৈ ৰাজহুৱা খেলপথাৰত আজি এই উদ্দেশ্যেৰে আনুষ্ঠানিকভাৱে লাইখুটা স্থাপন কৰা হয়। উল্লেখযোগ্য যে দুধনৈ আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত বাইখো উৎসৱৰ এই বছৰ ২৫ বছৰ পূৰ্তি উপলক্ষে ৰূপালী জয়ন্তী বৰ্ষ হিচাপে উদযাপন কৰা হ'ব।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া প্ৰথমখন খেলৰ বাবে পাঞ্জাব কিংছৰ খেলুৱৈসকল বৰঝাৰস্থিত আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত উপস্থিত হৈছেহি। দিনৰ চাৰে ৩ বজাত এখন বিশেষ বিমানযোগে লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত দলটো উপস্থিত হয়। আঘাতৰ সমস্যাৰ বাবে শিখৰ ধৱনৰ বাদে দলটোৰ আন সকলো খেলুৱৈ গুৱাহাটীত উপস্থিত হৈছে। উল্লেখ্য যে ৰাজস্থান ৰয়েলছে অহা ১৫ মে'ত পাঞ্জাব কিংছৰ বিৰুদ্ধে আৰু ১৯ মে'ত কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে বৰ্ষাপাৰা ষ্টেডিয়ামত অৱতীৰ্ণ হ'ব। দুয়োখন খেলৰ বাবে কাইলৈ ৰাজস্থান ৰয়েলছ দলটো গুৱাহাটীত উপস্থিত হ'ব।

০০০০০

সমাপ্ত